

# জৱাহৰ জ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

বকো

একাদশ সংখ্যা

১৯৮৮-৮৯

Jawaharlal Nehru College Library

তত্বাৱধায়ক
অধ্যাপক বসন্ত কুমাৰ দত্ত

সম্পাদক
হৰ্ষ কলিতা

# প্ৰবন্ধ


| | | |
|---|---|---|
| অসমীয়া জাতিৰ জনক শঙ্কৰদেৱ | তৰা বায়ন | ১ |
| নাট্যকাৰ জ্যোতিপ্ৰসাদ | অতুল চন্দ্ৰ দাস | ৪ |
| বাভা সমাজ আৰু সংস্কৃতিৰ চমু আভাস | দিগন্ত কুমাৰ বাভা | ৭ |
| ৰঘুনাথ চৌধাৰী আৰু তেওঁৰ কবিতা | যতীন মেধি | ৯ |
| বৰগীতত ধ্ৰুপদী সংগীতৰ বৈশিষ্ট্য | কমলেশ্বৰ ঠাকুৰীয়া | ১৪ |
| পূজা-পাৰ্বনত লোক সংস্কৃতিৰ প্ৰভাৱ | ভবেশ চন্দ্ৰ গোস্বামী | ১৭ |
| বিহঙ্গম দৃষ্টিত জ্যোতি-সংগীত | জয়ন্ত কুমাৰ কলিতা | ২১ |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল | | ২৪ |
| আলোচনী সম্পাদকৰ আষাৰ-চেৰেক | | ৩০ |
| বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনসমূহ | | ৩১ |


## English Section


| | | |
|---|---|---|
| Shaw and Shakespeare | M.K. Sarmah | 1 |
| The unlucky Night | J. K. Nath | 7 |
| Are Apelike Men our Ancestors ? | Joyshri Bhuyan | 11 |
| On the Results of the last 9th lok-Sabha poll in India | U. C. Kar | 15 |
| Present teaching and office staff of the college | | 20 |

# —সম্পাদনাৰ মেজৰ পৰা—

## দেশৰ সমস্যা সমাধানৰ দায়িত্ব কাৰ—

"ছাত্ৰানাং অধ্যয়ণং তপঃ।" "আজিৰ ছাত্ৰ কাইলৈ দেশৰ ধৰণী।" এনে ধৰণৰ ন-পুৰণি আপ্তবাক্য জনা বুজা লোকৰ জ্ঞাত। উপদেশমূলক এই আপ্তবাক্যবোৰ আমাৰ গুণী-জ্ঞানী জ্যেষ্ঠসকলে ছাত্ৰ-ছাত্ৰীৰ সভা সমিতি পালেই কবলৈ নাপাহৰে। আচলতে এইবোৰ ভাল কথা আৰু ভাল কথা বাবেই ছাত্ৰ-ছাত্ৰীসকলক কোৱা হয়। প্ৰশ্ন হয়, তেওঁলোকে বিষয়টোৰ গভীৰলৈ গৈ এইদৰে কয়নে. এনেয়ে কব লাগে -বাবেই কয়? সাম্প্ৰতিক কালত অধ্যয়ণতেই একান্ত ভাবে লাগি থাকি জ্ঞান অৰ্জন কৰি দেশৰ একো একোজন যোগ্য নাগৰিক হোৱাৰ বাবে যি সুস্থ পৰিবেশৰ দৰকাৰ, সেইটো বিশেষকৈ ভাৰতৰ দৰে এখন সমস্যাবহুল দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুপস্থিত। যি সময়ত জ্যেষ্ঠ নাগৰিকসকলে দেশৰ সমস্যাসমূহ সমাধানৰ বাবে গধুৰ দায়িত্ব মূৰ পাতি লব লাগে, তেনে সময়ত তেওঁলোকে মূৰ-পোলোকা মাৰি ছাত্ৰ সমাজলৈ সেই দায়িত্ব ঠেলি দি নিৰাপদ দূৰত্বত অৱস্থান কৰে- ছাত্ৰ ছাত্ৰীসকল দেশৰ সমস্যা সম্বন্ধে ওৱাকিবহাল থাকিব লাগিব ঠিকেই; কিন্তু অধ্যয়ণৰত অৱস্থাত সমস্যা সমাধানৰ বাবে সমুদায় দায়িত্ব কান্ধ পাতি লৈ বান্ধালৈ ওলাই আহিলে ক্ষতি অকল ছাত্ৰ-ছাত্ৰীৰে নহয়,— ক্ষতি সমাজৰো, দেশৰো। সমাজ আৰু দেশৰ দায়িত্ব লবৰ বাবে উপযুক্ত হবলৈ ছাত্ৰ-ছাত্ৰীসকলক সুবিধা দিব লাগিব— অথচ আমাৰ দেশত যেন তাকেই কৰা হোৱা নাই। দেশৰ ধৰণী হবলৈ ছাত্ৰ-ছাত্ৰীসকল কাইলৈকে অপেক্ষা কৰা হোৱা নাই। আমি আশা কৰো, জ্যেষ্ঠ সকলে দেশৰ গধুৰ সমস্যাসমূহ কান্ধ পাতি লৈ ছাত্ৰ-ছাত্ৰী সকলক কাই-লৈকে বাট চাওঁক। জ্যেষ্ঠসকলেই মাথোন ছাত্ৰ-ছাত্ৰী সকলক সহায় কৰিব পাৰে দেশৰ ধৰণী কৰি গঢ়ি তুলিবলৈ। তেতিয়া তেওঁলোকে "পঢ়ে পঢ়ুৱাই বোৱে পান, এই তিনি নিচিন্তে আন"—ৰ দৰে গাজত লগা আৰু এবাৰ কথা আপ্তবাক্য নিঃসংকোচে কোৱাৰ সুবিধা পাব।

## পাঠ্যক্ৰমৰ সঘন সলনিৰ অশুভ পৰিণতি—

শিক্ষাৰ ক্ষেত্ৰত পাঠ্যক্ৰমৰ সময়োপযোগী সাল-সলনি স্বাভাৱিক প্ৰক্ৰিয়া। ইয়াত আপত্তিৰ থল নাথাকে। কিন্তু, অসমৰ শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰমৰ সঘন-সলনি এটি মন কৰিবলগীয়া কথা হৈ পৰিছে। কৰ্তৃপক্ষবোৰৰ পাঠ্যক্ৰম স্থিৰ কৰাৰ অস্থিৰতাই কাৰ কি মঙ্গল সাধিছে প্ৰশ্ন। কিন্তু এই অস্থিৰতাই যে ছাত্ৰ ছাত্ৰী, শিক্ষক-

শিক্ষয়িত্ৰী, আৰু অভিভাৱকসকলক আহুকালত পেলাই আহিছে—সেইটো বিচাৰ-বিবেচনা থকা ব্যক্তি মাত্ৰেই জানে। এনে ধৰণৰ খাম-খেয়ালি অচিৰেই বন্ধ হ'ব লাগে। গৱেষণামূলক চিন্তা চৰ্চাৰে বিজ্ঞানসন্মত আৰু ব্যৱহাৰিক পাঠ্যক্ৰম একোটা নিৰ্দ্দিষ্ট সময়লৈ বুলি নিৰ্ধাৰণ কৰি দিলে সকলোৰে পক্ষে মঙ্গলজনক কথা হ'ব।

পাঠ্যক্ৰমত সঘন-সলনিৰ পৰিণতি হ'ল পাঠ্যপুথিৰ অভাৱ। পাঠ্যক্ৰম সলনি কৰি নতুনত্ব আনিবলৈ যোৱাৰ আগতে এই দিশটোৰ কথা মনত ৰখা নহয় যেন অনুমান হয়। পাঠ্যক্ৰম সলনি হোৱাৰ জাননীবোৰ পোৱা হয় যদিও, একো একোটা শিক্ষা বছৰ পাৰ হৈ যোৱাৰ পিছতো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ হাতত পাঠ্য পুথি নপৰেহি। এক টোগলকী অৰাজকতাই আজি কিছু বছৰ ধৰি অসমৰ শিক্ষা জগতত বিৰাজ কৰিছে। দায়িত্বত থকা সকলে পাঠ্যক্ৰম সলনিৰ লগতে পাঠ্যপুথিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়াটো বাঞ্ছনীয়।

## উচ্চতৰ মাধ্যমিক শিক্ষা-সংসদৰ অসমীয়া ভাষা-প্ৰেম—

এটা জাতিৰ উন্নতিৰ দিশত সেই জাতিৰ সাহিত্যৰ অৱদান লেখত লবলগীয়া। অসমৰ বিশ্ববিদ্যালয় দুখনে শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাৰ প্ৰৱৰ্তন কৰিছে। কোনো কোনোৱে এই কাম ভাল বুলি ভবা নাই যদিও, বেছিভাগেই বেয়াও বোলা নাই। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণত সহায় পাওঁক বুলি অসমীয়া ভাষাৰ প্ৰয়োগ কৰা হৈছে। আনহাতে, এনে কৰাৰ ফলত অসমীয়া ভাষা-সাহিত্যই জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয়ৰ বাবে প্ৰকাশ-ক্ষমতা লাভ কৰি চহকী হৈ উঠিব। কিন্তু অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা-সংসদে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে থকা দুশ নম্বৰৰ দুখন অসমীয়া প্ৰশ্ন কাকতৰ ঠাইত এশ নম্বৰৰ এখন প্ৰশ্নকাকত কৰাৰ সিদ্ধান্তলৈ অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত কেনেধৰণে সহায় কৰাৰ কথা ভাবিছে জনা নাযায়। এনে সিদ্ধান্তৰ বিৰুদ্ধে যোৱা কিছুদিন ধৰি সমগ্ৰ অসমত প্ৰবল প্ৰতিবাদৰ জোৱাৰ উঠিছে। শিক্ষা-সংসদে বোধহয় ভাবিলে, অসমৰ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা কব পাৰে যেতিয়া—সাহিত্যও নেজানিবনে? উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰমৰ অধিক বোজাৰ পৰা ৰেহাই দিবলৈ অইন কোনো বিকল্প বিচাৰি পোৱা নগ'ল বাবেই হয়তো এনে সিদ্ধান্ত লৈ বাট চমুৱালে। আমাৰ বোধেৰে এই কাম ভাল হোৱা নাই।

## হিংসাৰ জুইত বিপন্ন সভ্যতা—

অসমৰ তথা ভাৰতবৰ্ষতেই নহয়, সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত অবিশ্বাস আৰু হিংসাৰ প্ৰবৃত্তিয়ে মূৰ দাঙি উঠিছে। বিশ্বৰ চুকে-কোণে উকি দিয়া সন্ত্ৰাসবাদ আৰু হিংসাৰ ঘটনাই কুৰি-শতিকাৰ সভ্যতাৰ ওপৰত লাজলগাকৈ কালিমা সানিছে। হিংসাই জন্ম দিয়ে প্ৰতি-হিংসাৰ। হিংসা-প্ৰতিহিংসাই মানবীয় মূল্যবোধসমূহক ধ্বংস কৰি মানুহক অমানুহ কৰে,—মানুহৰ সভ্যতাক পশ্চাদমুখী কৰে। হিংসা, সন্ত্ৰাস এইবোৰৰ কাৰণো হয়তো নোহোৱা নহয়; এই কাৰণবোৰ আলাপ-আলোচনা আৰু আন্তৰিক বুজা পৰাৰে দূৰ নিবাৰণ কৰিব নোৱাৰা কোনো কাৰণ নাই। বন্দুক-বাৰুদে সমস্যা সমাধান কৰাৰ চাৰি নতুন সমস্যাৰ সৃষ্টি কৰে, কিম্বা সমস্যাক অধিক জটিল কৰি তোলে। মানৱ জাতিৰ বাবে কল্যাণকৰ সভ্যতা গঢ়ি তুলিবলৈ সমগ্ৰ বিশ্বৰ মানুহে হিংসাৰ পথ পৰিহাৰ কৰি শান্তি-মৈত্ৰীৰ পৰিবেশ সৃষ্টি কৰিবই লাগিব। মানুহৰ শুভ বুদ্ধি উদয় হওঁক, তাকেই আমি কামনা কৰোঁ।





| | | |
|---|---|---|
| সন্ধান | : ১ : | মঃ পাহমত আলী |
| জন্মৰ উপহাৰ | : ২ : | কুমাৰী মীৰা মহন্ত |
| মানুহবোৰ নিলাজ | : ২ : | বীৰেন্দ্ৰ চন্দ্ৰ ৰাভা |
| আজি-কালি বহাগ আহিলে | : ৩ : | মিচ চাজিদা চুলতানা |
| দুটি কবিতা | : ৪ : | ললিত চন্দ্ৰ ৰাভা |
| মই যোতয়াই গৈছিলো | : ৪ : | প্ৰদীপ কলিতা |
| চিৰ মূল | : ৫ : | ৰাধশ্যাম মহন্ত |
| শৰ ক্কি | : ৫ : | নৱ কুমাৰ কলিতা |
| স্মৰণিকা | : ৬ : | নলিনী কুমাৰ খাখলাৰী |
| লিখা থাক লেকি | : ৬ : | কুমাৰী দীপিকা দেৱী |
| মোৰ কবিতা | : ৭ : | ৰজনী কান্ত বড়ো |
| কেতিয়াবা মোক মাতে | : ৭ : | দিগন্ত কুমাৰ ৰাভা |
| তৃষ্ণা | : ৮ : | লক্ষেশ্বৰ হাজৰিকা |
| এটি গীত | : ৮ : | দীপিকা কলিতা |
| টুকুৰা মায়াৰ ছাঁ | : ৯ : | বসন্ত কুমাৰ দত্ত |
| এই বেলি বিহুতে | : ১০ : | যুগল কিশোৰ নাথ |

## কবিতা

# সন্ধান

মঃ ৰাহমত আলী
২য় বাৰ্ষিক স্নাতক মহলা

শুনিছানে
কঁলচী উদ্ভিদৰ পত্ৰ-গৰ্ভত
পতংগৰ কৰুণ আৰ্তনাদ
সিহঁতেতো ভৰা নাছিল
আশ্ৰয় স্থলত মিলিব মৰণ ।

দেখিছানে
ভোকাতুৰ শিশুৰ অসহায় জীৱন
মাতৃৰ শুকান স্তন
সিহঁতে উচুপি কান্দে
হায়—কি চাতকী প্ৰাণ ।

ভাবিছানে
বতাহৰ কৱলত জোনাকী পৰুৱাৰ
হ'ব পাৰে জীৱন নাশ
তথাপিতো জোনাকীৰ জীৱন পণ
হয়তো কৰে ক্ষন্তেক অনশণ
বিজ্ঞান-বিচাৰাই দিছে খবৰ
ধ্বংস নহয় কোনো শক্তিৰ
হয় মাথোন ৰূপ

# জন্মৰ উপহাৰ

কুমাৰী মীৰা মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

দিনবোৰ হাতৰ অলুৰাত তুলি ধৰিলেই
ওলাই আহে একাজাল গোপনৰ দুখ
স্মৃতিত নেভাহে সুগন্ধি ফুলৰ সুবাস
শিলাময় পথত আউসীৰ এন্ধাৰ
জন্মই মোক কলিজা ভৰাই দিলে
সূত-পুত্ৰ কৰ্ণৰ চকুপানী
নাজানিলো বসন্ত কাৰ নাম
কেচা ঘামৰ টোপালেৰে
তিয়াব খুজিছো চিনাকী মৰুৰ
শুকান বালি।

# মানুহবোৰ নিলাজ

শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ বাভা
১ম বাৰ্ষিক, স্নাতক মহলা

উলঙ্গ সময়বোৰ পাৰ হৈ যায়
চকুৰ আগেদি
ধুমুহা বতাহজাক হুৰ হুৰাই
বৈ আহে আলৰ-বৃদ্ধ টোকোলা
পাহাৰটোৰ ফালে
কাঢ়ি লৈ যায় সমুদায় বস্ত্ৰ
ধ্যানস্থ পাহাৰটোৰ
আৰু আমি বস্ত্ৰবিহীন উলঙ্গ
পাহাৰটোৰ ফালে হাত-যোৰ
কৰি প্ৰাৰ্থনা কৰো
আমাক আহাৰ দিয়া
আমাক বস্ত্ৰ দিয়া
আমাক বাসস্থান দিয়া
আমাক সভ্যতাৰ সম্পদ দিয়া।

# আজি কালি বহাগ আহিলে

মিচ্‌ চাজিদা চুলতানা
৩য় বাৰ্ষিক, স্নাতক

বহাগ আহিলে আজিও
কেতেকী ফুলে
ডালে ডালে কুলি কেতেকীয়ে
গীত জুৰে
বনে বনে
প্ৰকৃতি কইনা সাজে
সাইলাখ তাহানিৰ দৰে ... — —

আৰু মোৰ মনৰ বনত ?
বহাগ আহিলেও
জকমকাই কেতেকী নুফুলে
ডালে ডালে তাৰ
কুলি কেতেকীয়ে গীত নুজুৰে ... — —

নৰ-খাদকৰ অব্যাহত উন্মাদ আস্ফালন
পৃথিৱী ত্ৰাসত থৰ থৰ
মনৰ বন অগ্নিদগ্ধ
আজি এক ছিৰাল ফটা পথাৰ
উকা ... ... বৃক্ষ — — বিত্ত — ...
মনৰ আকাশ থমথম
নীলা বেদনাত

তথাপিও দিনৰ পিছত দিন
জীয়াই আছোঁ
প্ৰত্যাশাত
বহাগৰ স্পন্দন আকউ এবাৰ
হিয়াত অনুভৱ কৰাৰ। * * *